# উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমত নামভৰ্ত্তিৰ আবেদন পত্ৰ পূৰণ কৰাৰ সময়ত মনত ৰাখিবলগীয়া বিষয়

১। নামভৰ্ত্তিৰ আবেদন পত্ৰ পূৰণ কৰাৰ আগেয়ে মহাবিদ্যালয় বৰ্ণনা পুস্তিকা (College Prospectus) খন ভালদৰে পঢ়িব।

২। আবেদনকাৰীয়ে প্ৰ-পত্ৰত নিজৰ শেহতীয়া পাচপোৰ্ট আকাৰৰ ফটো সংলগ্ন কৰিব।

৩। আবেদন প্ৰাৰ্থীয়ে নিজৰ হাতৰ আখৰেৰে স্পষ্টকৈ এই পত্ৰ পূৰণ কৰিব।

৪। প্ৰ-পত্ৰত নিজৰ নাম ইংৰাজীৰ বৰফলাৰ আখৰেৰে লিখিব।

৫। আবেদন পত্ৰৰ যিবোৰ ঠাই পূৰণ কৰা প্ৰযোজ্য নহয়, সেই ঠাইত 'x' চিহ্ন দিব।

৬। নামভৰ্তিৰ বাবে চৰকাৰী বিধিমতে ST/SC/OBC/MOBC ৰ প্ৰাৰ্থীৰ বাবে নিৰ্দ্দিষ্ট সংখ্যক আসনৰ ব্যৱস্থা আছে। তাৰোপৰি শাৰীৰিকভাৱে অক্ষম আৰু Co-curricular Activities ৰ বাবে কিছু সংখ্যক আসন সংৰক্ষণ কৰা হৈছে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্ত্তিকৰণৰ বাবে চৰকাৰী সংৰক্ষণ, শাৰীৰিক অক্ষমতা, Co-curricular Activities ৰ অধীনত থকা আসনৰ বিপৰীতে আবেদন কৰিব বিচাৰে, তেওঁলোকে প্ৰ-পত্ৰত থকা নিৰ্দ্দিষ্ট ঠাইত জনাব লাগিব। উক্ত সুবিধাৰ জৰিয়তে আবেদন কৰিবলৈ বিচাৰিলে যাবতীয় নথি-পত্ৰ নামভৰ্তিৰ আবেদনৰ লগত গাঠি দিব লাগিব। অন্যথা উক্ত সংৰক্ষণৰ অধীনত নামভৰ্তিকৰণ বিবেচিত নহ'ব।

৭। আবেদন পত্ৰৰ স'তে সকলো আবেদনকাৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ মাৰ্কশ্বীট অথবা সম পৰ্য্যায়ৰ পৰীক্ষাৰ মাৰ্কশ্বীট, উত্তীৰ্ণ প্ৰমাণ পত্ৰ আৰু জাতিগত পৰিচয় পত্ৰ (যদিহে প্ৰয়োজ্য)ৰ প্ৰত্যায়িত প্ৰতিলিপি সংলগ্ন কৰিব।

৮। যিসকল ছাত্ৰ-ছাত্ৰীৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ উত্তীৰ্ণৰ বৰ্ষ আৰু নামভৰ্ত্তিকৰণৰ মাজত বিৰতি হৈছে, তেওঁলোকে উপযুক্ত কৰ্তৃপক্ষৰ পৰা বিৰতি প্ৰমাণ পত্ৰ (Gap Certificate)ৰ প্ৰত্যায়িত প্ৰতিলিপি আবেদন পত্ৰৰ সৈতে সংলগ্ন কৰিব।

৯। কলা, বিজ্ঞান আৰু বাণিজ্য শাখাৰ আবেদন প্ৰাৰ্থীয়ে আধুনিক ভাৰতীয় ভাষা (MIL)ৰ অন্তৰ্গত অসমীয়া, বড়ো, বঙালী আৰু হিন্দী বিষয়ৰ যিকোনো এটাহে বাচনি কৰিব পাৰিব আৰু সেই অনুসৰি আবেদন পত্ৰৰ নিৰ্দ্দিষ্ট ঠাইত উল্লেখ কৰিব।

১০। কলা আৰু বিজ্ঞান শাখাৰ আবেদন প্ৰাৰ্থীয়ে বাধ্যতামূলক ইংৰাজী আৰু আধুনিক ভাষাৰ উপৰি পুস্তিকা (Prospectus)ৰ ৮ নম্বৰ পৃষ্ঠাৰ তালিকা-III (Table-III)ত উল্লেখ থকা চাৰিটা ঐচ্ছিক বিষয় বাচনি কৰিব পাৰিব। অন্যহাতে বাণিজ্য শাখাৰ আবেদন প্ৰাৰ্থীয়ে তৃতীয় আৰু চতুৰ্থ ঐচ্ছিক বিষয় পুস্তিকা (Prospectus)ৰ ৮ নম্বৰ পৃষ্ঠাত দিয়া বিষয়সমূহৰ পৰা বাচনি কৰিব।

১১। আবেদন পত্ৰৰ নিৰ্দ্দিষ্ট ঠাইত দূৰভাষ নম্বৰ আৰু ই-মেইল ঠিকনা (যদি আছে) দিয়া প্ৰয়োজন।

১২। অসম্পূৰ্ণ আবেদন নামভৰ্ত্তিৰ বাবে বিবেচিত নহ'ব।

১৩। নামভৰ্তিৰ দিনা সকলো সংলগ্ন প্ৰত্যায়িত নথি পত্ৰৰ মূল (Orignal) প্ৰতিলিপিসমূহ আবেদন প্ৰাৰ্থীয়ে মহাবিদ্যালয় কৰ্তৃপক্ষক দেখুৱাব লাগিব।

**বিঃ দ্ৰঃ (১) পুস্তিকাৰ ১৩-১৪ নম্বৰ পৃষ্ঠাত উল্লেখ কৰা নামভৰ্ত্তিৰ মাচুল চৰকাৰী আদেশ মৰ্মে পৰিৱৰ্তনযোগ্য।**

**(২) পুস্তিকাৰ ৬ নম্বৰ পৃষ্ঠাৰ নামভৰ্ত্তিৰ অনুসূচী (Admission Schedule) বিশেষ পৰিস্থিতিত সলনি হ'ব পাৰে।**

**N.B. : 1. The Admission Fees stated in the page No. 13-14 of the Prospectus may be changed as per Govt. order.**

**2. The Admission Schedule mentioned in the page No. 6 of the Prospectus may be altered under special circumstances.**

# স্নাতক মহলাৰ পাঠ্যক্ৰমত নামভৰ্ত্তিৰ আবেদন পত্ৰ পূৰণ কৰাৰ সময়ত মনত ৰাখিবলগীয়া বিষয়

১। নামভৰ্ত্তিৰ আবেদন পত্ৰ পূৰণ কৰাৰ আগেয়ে মহাবিদ্যালয় বৰ্ণনা পুস্তিকা (College Prospectus) খন ভালদৰে পঢ়িব।

২। আবেদনকাৰীয়ে প্ৰ-পত্ৰত নিজৰ শেহতীয়া পাচপোৰ্ট আকাৰৰ ফটো সংলগ্ন কৰিব।

৩। আবেদন প্ৰাৰ্থীয়ে নিজৰ হাতৰ আখৰেৰে স্পষ্টকৈ এই পত্ৰ পূৰণ কৰিব।

৪। প্ৰ-পত্ৰত নিজৰ নাম ইংৰাজীৰ বৰফলাৰ আখৰেৰে লিখিব।

৫। আবেদন পত্ৰৰ যিবোৰ ঠাই পূৰণ কৰা প্ৰযোজ্য নহয়, সেই ঠাইত 'x' চিহ্ন দিব।

৬। নামভৰ্তিৰ বাবে চৰকাৰী বিধিমতে ST/SC/OBC/MOBC ৰ প্ৰাৰ্থীৰ বাবে নিৰ্দিষ্ট সংখ্যক আসনৰ ব্যৱস্থা আছে। তাৰোপৰি শাৰীৰিকভাৱে অক্ষম আৰু Co-curricular Activities ৰ বাবে কিছু সংখ্যক আসন সংৰক্ষণ কৰা হৈছে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্ত্তিকৰণৰ বাবে চৰকাৰী সংৰক্ষণ, শাৰীৰিক অক্ষমতা, Co-curricular Activities ৰ অধীনত থকা আসনৰ বিপৰীতে আবেদন কৰিব বিচাৰে, তেওঁলোকে প্ৰ-পত্ৰত থকা নিৰ্দিষ্ট ঠাইত জনাব লাগিব। উক্ত সুবিধাৰ জৰিয়তে আবেদন কৰিবলৈ বিচাৰিলে যাবতীয় নথি-পত্ৰ নামভৰ্তিৰ আবেদনৰ লগত গাঠি দিব লাগিব। অন্যথা উক্ত সংৰক্ষণৰ অধীনত নামভৰ্তিকৰণ বিবেচিত নহ'ব।

৭। আবেদন পত্ৰৰ স'তে সকলো আবেদনকাৰীয়ে উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ মাৰ্কশ্বীট অথবা সম পৰ্য্যায়ৰ পৰীক্ষাৰ মাৰ্কশ্বীট, উত্তীৰ্ণ প্ৰমাণ পত্ৰ আৰু জাতিগত পৰিচয় পত্ৰ (যদিহে প্ৰয়োজ্য)ৰ প্ৰত্যায়িত প্ৰতিলিপি সংলগ্ন কৰিব।

৮। যিসকল ছাত্ৰ-ছাত্ৰীৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ উত্তীৰ্ণ বৰ্ষ আৰু নামভৰ্ত্তিকৰণ বৰ্ষৰ মাজত বিৰতি (Gap) হৈছে, তেওঁলোকে আবেদন পত্ৰৰ স'তে উপযুক্ত কৰ্ত্তৃপক্ষৰ পৰা সংগ্ৰহ কৰা Gap Certificate ৰ প্ৰত্যায়িত প্ৰতিলিপি সংলগ্ন কৰিব।

৯। **আবেদন প্ৰাৰ্থীয়ে প্ৰ-পত্ৰত বিভিন্ন বিষয়ৰ নাম চমুকৈ (Short Form) লিখিব পাৰিব। Short Form সমূহ আবেদন পত্ৰৰ একেবাৰে তলত উল্লেখ কৰা হৈছে।**

১০। যিসকল ছাত্ৰ-ছাত্ৰীয়ে স্নাতক মহলাত কোনো বিষয়ত গুৰু পাঠ্যক্ৰম (Major) ল'ব বিচাৰে তেওঁলোকে আবেদন পত্ৰত প্ৰথম আৰু দ্বিতীয় অগ্ৰাধিকাৰ (First and Second preference) জনাব লাগিব।

১১। যিকোনো ভাষা বিষয়ত গুৰু পাঠ্যক্ৰম ল'ব বিচাৰিলে তেওঁলোকে আধুনিক ভাৰতীয় ভাষা (MIL)ত সেই গুৰু ভাষাৰ বিষয়টি বাছনি কৰিব নোৱাৰিব। যেনে- অসমীয়া গুৰু পাঠ্যক্ৰম ল'ব বিচাৰিলে আধুনিক ভাৰতীয় ভাষা হিচাবে অসমীয়া বিষয়টি অধ্যয়ন কৰিব নোৱাৰিব।

১২। কলা আৰু বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীসকলে স্নাতক মহলাৰ সাধাৰণ পাঠ্যক্ৰম অধ্যয়নৰ বাবে আবেদন কৰিলে ইংৰাজী বিষয়ৰ উপৰি তেওঁলোকে পুস্তিকা (Prospectus)ৰ ৯/১০ নম্বৰ পৃষ্ঠাত থকা বিষয় সম্বন্ধৰ (Combination of Subjects) তালিকা-V/VI/VII (Table-V/VI/VII)ৰ পৰা তিনিটা বিষয় বাচনি কৰিব।

১৩। বাণিজ্য শাখাৰ আবেদন প্ৰাৰ্থীয়ে মহাবিদ্যালয় বৰ্ণনা পুস্তিকা (Prospectus)ৰ ১০-১১ নম্বৰ পৃষ্ঠাত থকা বিষয় সম্বন্ধৰ (Combination of Subjects) তালিকা-VIII (Table-VIII) ভালকৈ পঢ়িব।

১৪। আবেদন পত্ৰৰ নিৰ্দিষ্ট ঠাইত দূৰভাষ নম্বৰ আৰু ই-মেইল ঠিকনা (যদি আছে) দিয়া প্ৰয়োজন।

১৫। অসম্পূৰ্ণ আবেদন নামভৰ্ত্তিৰ বাবে বিবেচিত নহ'ব।

১৬। নামভৰ্তিৰ দিনা সকলো সংলগ্ন প্ৰত্যায়িত নথি পত্ৰৰ মূল (Orignal) প্ৰতিলিপিসমূহ আবেদন প্ৰাৰ্থীয়ে মহাবিদ্যালয় কৰ্ত্তৃপক্ষক দেখুৱাব লাগিব।

**বিঃ দ্ৰঃ (১) পুস্তিকাৰ ১৩-১৪ নম্বৰ পৃষ্ঠাত উল্লেখ কৰা নামভৰ্ত্তিৰ মাচুল চৰকাৰী আদেশ মৰ্মে পৰিবৰ্তনযোগ্য।**

**(২) পুস্তিকাৰ ৬ নম্বৰ পৃষ্ঠাৰ নামভৰ্ত্তিৰ অনুসূচী (Admission Schedule) বিশেষ পৰিস্থিতিত সলনি হ'ব পাৰে।**

**N.B. : 1. The Admission Fees stated in the page No. 13-14 of the Prospectus may be changed as per Govt. order.**

**2. The Admission Schedule mentioned in the page No. 6 of the Prospectus may be altered under special circumstances.**